# অসম বিধান সভা
## তৰাবিহীন প্ৰশ্ন নং : ৩০৫
## বিষয় : অন্ন সুৰক্ষা সম্পৰ্কত
## বিধায়কৰ নাম : শ্ৰীদেৱব্ৰত শইকীয়া:
## উত্তৰ দিয়া তাৰিখ: ২৯-০৩-২০২২

## প্ৰশ্ন :

মাননীয় খাদ্য , অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

**(ক)** ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন অনুসৰি অসমত এতিয়াও কিমান যোগ্য পৰিয়াল অন্ন সুৰক্ষা আঁচনিৰ অন্তৰ্ভুক্ত হোৱা নাই ? শিৱসাগৰ জিলাৰ বিশেষকৈ নাজিৰা মহকুমাৰ এনে বঞ্চিত পৰিয়ালৰ সংখ্যা জনাবনে ? বাদ পৰা উপযুক্ত হিতাধিকাৰীসকলক এই আঁচনিত কেতিয়া অন্তৰ্ভুক্ত কৰিব ?

(খ) এই আঁচনিৰ হিতাধিকাৰীৰ পৰিয়ালৰ সকলো সদস্যৰ নাম অন্তৰ্ভুক্ত কৰাৰ বিপৰীতে , কেৱল দুজন বা তিনিজন সদস্যক ৰেচন কাৰ্ডত অন্তৰ্ভুক্ত কৰি বিনামূলীয়া চাউল দিয়াৰ ব্যৱস্থা সম্পৰ্কে বিভাগ জ্ঞাতনে ?

(গ) এই আঁচনিত কিমান ভূৱা হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্ত হৈ আছে ? এই সম্পৰ্কত অসম চৰকাৰে কৰা তদন্তৰ প্ৰতিবেদনৰ তথ্য দিব।

(ঘ) যোৱা ৫ বছৰত চৰকাৰে কিমান ভুৱা হিতাধিকাৰীৰ নাম কৰ্তন কৰিছে আৰু কিমান নতুন হিতাধিকাৰী অন্তৰ্ভুক্ত কৰিছে , জনাব ?

(ঙ) বৰ্তমানো ভুৱা হিতাধিকাৰীয়ে এই আঁচনিৰ সুবিধা লাভ কৰি আছে নেকি ? যদি আছে, এইসকলৰ বিৰুদ্ধে কিয় এতিয়াও ব্যৱস্থা গ্ৰহণ কৰা নাই , জনাবনে ?

**উত্তৰ :**

মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী ৰণজিৎ কুমাৰ দাস মহোদয়ে উত্তৰ দিবঃ

**(ক)** অসমত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত হিতাধীকাৰীৰ মুঠ নিৰ্দ্ধাৰিত লক্ষ্য ২,৫২,১৮,০০১ সংখ্যক জনসংখ্যা । এই নিৰ্দ্ধাৰিত লক্ষাৰ বিপৰীতে ২১-০৩-২০২২ বিভাগৰ তথ্যমতে অসমত ২,৫০,৪৫,১৪৫ সংখ্যক হিতাধিকাৰী অন্তৰ্ভূক্ত হৈছে আৰু ১,৭২,৮৫৬ সংখ্যক হিতাধিকাৰীক যোগ্যতাৰ ভিত্তিত চিনাক্ত কৰি এই আইনৰ অধীনত সামৰি লবলৈ বাকী আছে ।

নাজিৰা মহকুমাৰ পৰা পোৱা তথ্য অনুসৰি শিৱসাগৰ জিলাৰ বিশেষকৈ নাজিৰা মহকুমাৰ ২০১১ চনৰ লোকপিয়ল অনুসৰি নিৰ্ধাৰণ কৰা লক্ষ্য সম্পূৰ্ণ হৈ আছে, যদিওঁ ২২-০৩-২০২২ পৰ্যন্ত ২৪৮ টা বঞ্চিত পৰিয়ালে ৭৫৬সংখ্যক জনসংখ্যাক সামৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন , ২০১৩ ৰ অধীনত নতুনকৈ ৰেচন কাৰ্ড পাবৰ বাবে আবেদন কৰিছে ( নাজিৰা মহকুমাৰ পৰা পোৱা তথ্য সংলগ্ন 'ক' ত **(PDF file)** অনলাইন যোগে দাখিল কৰা হ'ল। বিভাগীয় তথ্য অনুসৰি শিৱসাগৰ জিলাৰ মুঠ নিৰ্দ্ধাৰিত লক্ষ্যৰ ৫,৭০,৭৮২ সংখ্যক হিতাধিকাৰীৰ বিপৰীতে ৫,৭৪,২৭৫ সংখ্যক হিতাধিকাৰী অন্তৰ্ভূক্ত হৈছে আৰু ৩,৪৯৩ সংখ্যক হিতাধিকাৰী এতিয়াও অন্তৰ্ভূক্ত হবলৈ বাকী আছে ।

যদি কোনো জিলা/ মকুমাত যোগ্য লোক খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ড পোৱাৰ পৰা বঞ্চিত হৈছে তেনেহলে সংশ্লিষ্ট জিলা/মহকুমাত কৰ্তৃপক্ষই হিতাধিকাৰীৰ তালিকা পুনৰীক্ষন কৰি অযোগ্য ব্যক্তিৰ কাৰ্ড বাতিল কৰি যোগ্য দুখীয়া লোকক অন্তৰ্ভূক্ত কৰাৰ প্ৰক্ৰিয়া গ্ৰহন কৰি থকা হৈছে । ই এক অবিৰত প্ৰক্ৰিয়া।

**সিপিঠিত:**

(খ) জ্ঞাত। Form-C পূৰণ কৰি দিয়া তথ্যৰ ভিত্তিত ERCMS data base ত অন্তৰ্ভূক্ত কৰা হৈছে আৰু সেইমতে হিতাধিকাৰীৰ মাজত ডিচেম্বৰ/২০১৫ ৰ পৰা চাউলৰ আৱণ্টন দিয়া হৈছে শেহতীয়াভাৱে ৰেচন কাৰ্ডৰ গৰাকীৰ আবেদনৰ তথ্যৰ ভিত্তিত পৰিয়ালৰ সদস্যৰ অন্তৰ্ভূক্তি/নাম কৰ্তন কৰাৰ ব্যৱস্থা কৰা হৈছে।

(গ) ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন , ২০১৩ ৰ অধীনত কোনো ধৰণৰ ভূৱা হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্ত হোৱা নাই। নিৰ্দিষ্ট বাচনি সমিতিৰ জৰিয়তে বাচনি কৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত সকলো যোগ্য হিতাধিকাৰীকে সামৰি লোৱা হৈছে। তথাপিও যদি কোনো জিলা/ মহকুমাত যোগ্য লোক খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ড পোৱাৰ পৰা বঞ্চিত হৈছে তেনেহলে সংশ্লিষ্ট জিলা/ মহকুমাত কৰ্তৃপক্ষই হিতাধিকাৰীৰ তালিকা পুনৰীক্ষন কৰি অযোগ্য ব্যক্তিৰ কাৰ্ড বাতিল কৰি যোগ্য দূখীয়া লোকক অন্তৰ্ভূক্ত কৰাৰ প্ৰক্ৰিয়া গ্ৰহন কৰি থকা হৈছে। ই এক অবিৰত প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া বৰ্তমান সমগ্ৰ ৰাজ্যত চলি আছে।

(ঘ) যোৱা ৫ বছৰত খাদ্য , অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে ২,০৬,৭২৯ সংখ্যক অযোগ্য হিতাধিকাৰীৰ নাম কৰ্তন কৰিছে আৰু তাৰ বিপৰীতে ৩,৫০,১৯৮ সংখ্যক যোগ্য হিতাধিকাৰীৰ নাম নতুনকৈ অন্তৰ্ভুক্ত কৰিছে।

(ঙ) ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন , ২০১৩ ৰ অধীনত কোনো ধৰণৰ ভূৱা হিতাধিকাৰীয়ে সুবিধা লাভ কৰা নাই ।তথাপিও যদি কোনো চৰকাৰী চাকৰিয়াল বা অনুপযুক্ত লোকে কাৰ্ড পাইছে তেনে লোক সকলক স্বইচ্ছাই কাৰ্ড সমূহ জিলা, মহকুমা কৰ্তৃপক্ষক ওভতাই দিবলৈ জাননি প্ৰেৰণ কৰি থকা হৈছে। অনুপযুক্ত পৰিয়াল সকলক এক গোহাৰি যোগে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ও মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে তেওঁলোকক স্ব-ইচ্ছাই এই ৰেচন কাৰ্ড সমূহ ওভতাই দিবলৈ অনুৰোধ জনায়। যদি কোনো জিলা/ মহকুমাত যোগ্য লোক খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ড পোৱাৰ পৰা বঞ্চিত হৈছে তেনেহলে সংশ্লিষ্ট জিলা / মহকুমাত কৰ্তৃপক্ষই হিতাধিকাৰীৰ তালিকা পুনৰীক্ষন কৰি অযোগ্য ব্যক্তিৰ কাৰ্ড বাতিল কৰি যোগ্য দুখীয়া লোকক অন্তৰ্ভুক্ত কৰাৰ প্ৰক্ৰিয়া গ্ৰহন কৰি থকা হৈছে। ই এক অবিৰত প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া বৰ্তমান সমগ্ৰ ৰাজ্যতে চলি আছে।

----------------------

অসম চৰকাৰ

মহকুমাধিপতি (অ) কাৰ্য্যালয় : : : নাজিৰা

(খাদ্য অসামৰিক যোগান ও গ্ৰাহক পৰিক্ৰমা বিভাগ)

নং : এন.এচ.ডি/এচ/১/এ.কিউ/ভ'ল/২০০৩/৯২ তাং : ২৩/০৩/২০২২

প্ৰতি.

মাননীয় সঞ্চালক
থাদ্য অসামৰিক যোগান ও গ্ৰাহক পৰিক্ৰমা বিভাগ, অসম
গুৱাহাটী - ০৫ ।

বিষয় : অসম বিধানসভাৰ প্ৰশ্ন নং D No 22 ।

মহোদয়.

সন্মানসহকাৰে উপৰোক্ত বিষয় ও প্ৰসঙ্গত আপোনাক জনাব বিচাৰো যে. মাননীয় বিধায়ক শ্ৰীযুত দেৱব্ৰত শইকীয়া দেৱৰ বিধানসভাৰ প্ৰশ্ন নং D No 22 ৰ উত্তৰ মহোদয়ৰ জ্ঞাতাৰ্থে তলত উল্লেখ কৰা হ'ল ।

(ক) শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাত ২২/০৩/২০২২ পৰ্য্যন্ত ২৪৮ টা বঞ্চিত পৰিয়ালে ৭৫৬ জনসংখ্যাক সামৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন. ২০১৩ ৰ অধীনত নতুনকৈ ৰেচন কাৰ্ড পাবৰ বাবে আবেদন কৰিছে । ২০১১ চনৰ লোকপিয়ল অনুসৰি নিৰ্ধাৰণ কৰা লক্ষ্য নাজিৰা মহকুমাত সম্পূৰ্ণ হৈ আছে ।

(খ) ২০১১ চনৰ লোকপিয়ল অনুসৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন. ২০১৩ ৰ অধীনত হিতাধিকাৰী বাচনি কৰা হৈছিল । সেয়েহে ২০১১ চনৰ পাছৰ কিছু জনসংখ্যা RCMS ত অন্তৰ্ভূক্ত হোৱা নাই ।

(গ) নাজিৰা মহকুমাত ভূৱা হিতাধিকাৰী অন্তৰ্ভূক্ত হৈ থকাৰ কোনো অভিযোগ লাভ কৰা নাই ।

(ঘ) যোৱা ৫ বছৰত নাজিৰা মহকুমাত কোনো ভূৱা হিতাধিকাৰী থকাৰ তথ্য লাভ কৰা নাই আৰু ১৭৭৮ টা পৰিয়ালৰ ৫৫৯৫ জনসংখ্যাক সামৰি নতুন ৰেচন কাৰ্ড প্ৰদান কৰা হৈছিল ।

(ঙ) নাজিৰা মহকুমাত ভূৱা হিতাধিকাৰী থকাৰ কোনো অভিযোগ লাভ কৰা নাই ।

ভৱদীয়

অতিৰিক্ত উপায়ুক্ত তথা
ভাৰপ্ৰাপ্ত মহকুমাধিপতি, নাজিৰা ।

স্মাৰক নং : এন.এচ.ডি/এচ/১/এ.কিউ/ভ'ল/২০০৩/৯২-ক তাং : ২৩/০৩/২০২২

প্ৰতিলিপি প্ৰেৰণ :

১) মাননীয় উপায়ুক্ত. শিৱসাগৰৰ জ্ঞাতাৰ্থে ।
২) সহকাৰী সঞ্চালক.খাদ্য অসামৰিক যোগান ও গ্ৰাহক পৰিক্ৰমা বিভাগ, নাজিৰাৰ জ্ঞাতাৰ্থে ।

অতিৰিক্ত উপায়ুক্ত তথা
ভাৰপ্ৰাপ্ত মহকুমাধিপতি, নাজিৰা ।